# আমাৰ যান-বাহন

## Chapter – 10

## পৰিৱেশ অধ্যয়ন

## অনুশীলনীৰ প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১। উত্তৰ লিখা :**

**(ক) কেইখনমান যান-বাহনৰ নাম লিখা।**

উত্তৰ : চাইকেল, ৰিক্সা, বাছ, ট্ৰাক, গৰুগাড়ী, ঠেলাগাড়ী, মটৰচাইকেল, ৰেল, অটো, টেম্পো, পানীজাহাজ, উৰাজাহাজ আদি।

**(খ) তোমালোকৰ অঞ্চলত কি কি যান-বাহনৰ সুবিধা আছে?**

উত্তৰ : আমাৰ অঞ্চলত বাছ, ট্ৰাক, অটো, বেল, ৰিক্সা, ঘোঁৰা গাড়ী, ঠেলা, টেম্পো, গৰু গাড়ী, ঠেলা গাড়ী, আদি যানবাহনৰ সুবিধা আছে।

**(গ) প্ৰাণীয়ে টনা দুবিধ যান-বাহনৰ নাম লিখা।**

উত্তৰ : গৰুগাড়ী আৰু ঘোঁৰাগাড়ী।

**(ঘ) হাট-বজাৰলৈ বস্তু অনা-নিয়া কৰিবৰ বাবে ব্যৱহাৰ কৰা তিনিবিধ যান-বাহনৰ নাম লিখা।**

উত্তৰ : ঠেলাগাড়ী, গৰুগাড়ী, আৰু চাইকেল।

**(ঙ) যান-বাহনৰ পৰা আমাৰ কি কি সুবিধা হয় ?**

উত্তৰ : যান-বাহনৰ বাবে আমাৰ বহুত সুবিধা হৈছে। যেনে— মানুহে এঠাইৰ পৰা আন ঠাইলৈ কম সময়ত যাব পৰা হৈছে, যান-বাহনৰ দ্বাৰা বয়বস্তু ইখন ঠাইৰ পৰা সিখন ঠাইলৈ কঢ়িয়াব পৰা হৈছে। পানীত চলা যান-বাহনৰ জৰিয়তে নদী বা সাগৰত বস্তু কাঢ়িওৱা ইত্যাদি বহুত সুবিধা হৈছে।

**প্ৰশ্ন ২। ‘ক’ অংশৰ লগত ‘খ’ অংশ মিলাই লিখা :**

| **‘ক’** | **‘খ’** |
|---|---|
| **মটৰ গাড়ী** | **আকাশত উৰে** |
| **উৰাজাহাজ** | **মাটিত চলে** |
| **ফেৰী** | **জুই নুমোৱাত সহায় কৰে** |
| **মালবাহী ৰে’ল** | **পানীত চলে** |
| **অগ্নিনিৰ্বাপক গাড়ী** | **বস্তু অনা-নিয়া কৰে** |

উত্তৰ :

| **‘ক’** | **‘খ’** |
|---|---|
| মটৰ গাড়ী | মাটিত চলে |
| উৰাজাহাজ | আকাশত উৰে |
| ফেৰী | পানীত চলে |
| মালবাহী ৰে’ল | বস্তু অনা-নিয়া কৰে |
| অগ্নিনিৰ্বাপক গাড়ী | জুই নুমোৱাত সহায় কৰে |

**প্ৰশ্ন ৩। খালী ঠাই পূৰ কৰা :**

**(ক) হাট-বজাৰত বিভিন্ন ধৰণৰ বস্তু ——— কৰা হয়।**

উত্তৰ : হাট-বজাৰত বিভিন্ন ধৰণৰ বস্তু কিনা-বেচা কৰা হয়।

**(খ) হাট-বজাৰত বিভিন্ন ধৰণৰ মানুহৰ লগত ——— হয়।**

উত্তৰ : হাট-বজাৰত বিভিন্ন ধৰণৰ মানুহৰ লগত পৰিচয় হয়।

**(গ) ঘোঁৰা-গাড়ীৰে ——— অনা-নিয়া কৰা হয়।**

উত্তৰ : ঘোঁৰা গাড়ীৰে বযবস্তু অনা-নিয়া কৰা হয়।

**(ঘ) ডাঙৰ নদীত ——— চলাচল কৰে।**

উত্তৰ : ডাঙৰ নদীত জাহাজ চলাচল কৰে।

**(ঙ) ভিন ভিন মানুহৰ মাজত সাংস্কৃতিক সম্পৰ্ক গঢ়ি তোলাতো———সুবিধা কৰি দিছে।**

উত্তৰ : ভিন ভিন মানুহৰ মাজত সাংস্কৃতিক সম্পৰ্ক গঢ়ি তোলাতো যান-বাহনে সুবিধা কৰি দিছে।

**প্ৰশ্ন ৪। তোমাৰ ঘৰৰ পৰা তলত দিয়া ঠাইবোৰলৈ কি ধৰণৰ যান-বাহনত যাবা লিখা।**

**বিদ্যালয়লৈ, নৈৰ সিপাৰলৈ, দিল্লীলৈ।**

উত্তৰ : বিদ্যালয়লৈ — চাইকেলত বা, স্কুলবাছত।

নৈৰ সিপাৰলৈ — নাওত, ফেৰীত।

দিল্লীলৈ — ৰেলগাড়ীত বা উৰাজাহাজত।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১। মাটিত চলাচল কৰা দুবিধ যান-বাহনৰ নাম লিখা।**

উত্তৰ : অটো আৰু বাছ।

**প্ৰশ্ন ২। পানীত চলাচল কৰা দুবিধ যান-বাহনৰ নাম লিখা।**

উত্তৰ : নাও আৰু জাহাজ।

**প্ৰশ্ন ৩। আকাশত উৰা যান-বাহন দুবিধৰ নাম লিখা।**

উত্তৰ : উৰাজাহাজ আৰু হেলিকাপ্তাৰ।

**প্ৰশ্ন ৪ ৰোগীক চিকিৎসালয়লৈ নিয়া এখন যান-বাহনৰ নাম লিখা।**

উত্তৰ : এম্বুলেন্স।

**প্ৰশ্ন ৫। চিঠিপত্ৰ কঢ়িয়াৱৰ বাবে কি গাড়ী ব্যৱহাৰ কৰা হয় ?**

উত্তৰ : ডাকঘৰৰ ৰঙা গাড়ী বা ডাকগাড়ী ব্যৱহাৰ কৰা হয়।

**প্ৰশ্ন ৬। বহুদূৰলৈ বয়-বস্তু অনা-নিয়া কৰা দুখন যান-বাহনৰ নাম লিখা।**

উত্তৰ : ট্ৰাক আৰু মালবাহী ৰে’লগাড়ী।

**প্ৰশ্ন ৭। ঘৰে ঘৰে চাইকেলেৰে বস্তু বেচা মানুহজনক কি বোলে ?**

উত্তৰ : ফেৰীৱালা বোলে।

**প্ৰশ্ন ৮। আফৰীণৰ মোমায়েকহঁতৰ ঘৰ ক’ত ?**

উত্তৰ : আফৰীণৰ মোমায়েকহঁতৰ ঘৰ গুৱাহাটীৰ নিজৰাপাৰত।

**প্ৰশ্ন ৯। আফীণে মোমায়েকহঁতৰ ঘৰলৈ যোৱা যান-বাহন দুখন কি আছিল ?**

উত্তৰ : ৰেলগাড়ী আৰু অটো-ৰিক্সা।

**প্ৰশ্ন ১০। শেৱালিৰ বাইদেউৰ বিয়াত মহেশ ককাইদেউৱে অহা যান-বাহনখন কি আছিল ?**

উত্তৰ : উৰাজাহাজ।

**প্ৰশ্ন ১১। গুৱাহাটীৰ বিমানবন্দৰটো ক’ত অৱস্থিত ?**

উত্তৰ : বৰঝাৰত।

**প্ৰশ্ন ১২। গুৱাহাটীৰ বৰঝাৰ বিমানবন্দৰটোৰ নাম কি ?**

উত্তৰ : লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমানবন্দৰ।

**প্ৰশ্ন ১৩। অৰুণৰ দদায়েকে পঢ়া কলেজখন কোনটো নদীৰ সিপাৰে ?**

উত্তৰ : কপিলী নদীৰ সিপাৰে।

**প্ৰশ্ন ১৪। অৰুণে মাহীয়েকৰ ঘৰলৈ যোৱা যান-বাহনখন কি আছিল ?**

উত্তৰ : অৰুণে মাহীয়েকৰ ঘৰলৈ যোৱা যান-বাহনখন নাও আছিল।

**প্ৰশ্ন ১৫। হাটত কিনা-বেচা কৰা দুবিধ থলুৱাভাৱে উৎপন্ন কৰা বস্তুৰ নাম লিখা।**

উত্তৰ : মাটিৰ সাজবাচন আৰু বাঁহৰ সঁজুলি।

**প্ৰশ্ন ১৬। যোৰহাটৰ ফ্ৰেীঘাটটোৰ নাম কি ?**

উত্তৰ : যোৰহাটৰ ফ্ৰেীঘাটটোৰ নাম নিমাতীঘাট।

**প্ৰশ্ন ১৭। হাটবজাৰত দেখা দুবিধ পাচলিৰ নাম লিখা।**

উত্তৰ : ৰঙালাও আৰু জাতিলাও।

**প্ৰশ্ন ১৮। হাটবজাৰখনত দেখা দুবিধ ফলৰ নাম লিখা।**

উত্তৰ : আম আৰু কল।

**প্ৰশ্ন ১৯। হাটবজাৰখনত দেখা দুখন যান-বাহনৰ নাম লিখা।**

উত্তৰ : ঠেলাগাড়ী আৰু চাইকেল।

**প্ৰশ্ন ২০। দুৰ্ৰিৰ পেহীয়েকৰ ঘৰ ক'ত আছিল ?**

উত্তৰ : দুৰ্ৰিৰ পেহীয়েকৰ ঘৰ মাজুলীত আছিল।

**প্ৰশ্ন ২১। খালী ঠাই পূৰ কৰা :**

**(ক) ———চিকিৎসালয়লৈ নিবৰ বাবে এম্বুলেন্স ব্যৱহাৰ কৰা হয়।**

উত্তৰ : ৰোগীক চিকিৎসালয়লৈ নিবৰ বাবে এম্বুলেন্স ব্যৱহাৰ কৰা হয়।

**(খ) ——— জুই নুমোৱাত ব্যৱহাৰ কৰা হয়।**

উত্তৰ : অগ্নিনির্বাপক গাড়ী জুই নুমোৱাত ব্যৱহাৰ কৰা হয়।

**(গ) ——— পানী যোগান ধৰিবলৈ গাড়ী ব্যৱহাৰ কৰা হয়।**

উত্তৰ : নগৰত পানী যোগান ধৰিবলৈ গাড়ী ব্যৱহাৰ কৰা হয়।

**(ঘ) হাট-বজাৰত বস্তু বেচি বহু মানুহে ——— কৰে।**

উত্তৰ : হাট-বজাৰত বস্তু বেচি বহু মানুহে জীৱন নির্বাহ কৰে।

**(ঙ) ভিন ভিন মানুহৰ মাজত ——— সম্পৰ্ক গঢ়ি তোলাত যান বাহনে সুবিধা কৰি দিছে।**

উত্তৰ : ভিন ভিন মানুহৰ মাজত সাংস্কৃতিক সম্পৰ্ক গঢ়ি তোলাত যান-বাহনে সুবিধা কৰি দিছে।

**(চ) ডাঙৰ নদী আৰু ——— জাহাজ চলাচল কৰে।**

উত্তৰ : ডাঙৰ নদী আৰু সাগৰত জাহাজ চলাচল কৰে।

**(ছ) বাপুদাহঁতে গৰু গাড়ীখনেৰে ——— পৰা ধানো আনে।**

উত্তৰ : বাপুদাহঁতে গৰু গাড়ীখনেৰে পথাৰৰ পৰা ধানো আনে।

**প্ৰশ্ন ২২। শুদ্ধ উত্তৰটো বাচি উলিওৱা :**

**(ক) এম্বুলেন্স বস্তু/ৰোগা নিয়াত ব্যৱহাৰ কৰা হয়।**

উত্তৰ : এম্বুলেন্স ৰোগী নিয়াত ব্যৱহাৰ কৰা হয়।

**(খ) বাছত উঠি দূৰলৈ যাব নোৱাৰি পাৰি।**

উত্তৰ : বাছত উঠি দূৰলৈ যাব পাৰি।

**(গ) ফেৰী মাটিত/আকাশত/পানীত চলে।**

উত্তৰ। ফেৰী পানীত চলে।

**(ঘ) হাট-বজাৰত বস্তু বেচি বহু মানুহে জীৱন নিৰ্বাহ কৰে/নকৰে।**

উত্তৰ : হাট-বজাৰত বস্তু বেচি বহু মানুহে জীৱন নিৰ্বাহ কৰে।

**(ঙ) আফৰীণৰ মোমায়েকে মটৰ গাড়ীৰে/ৰিক্সাৰে তেওঁলোকক চিৰিয়াখানালৈ নিছিল।**

উত্তৰ : আফৰীণৰ মোমায়েকে মটৰ গাড়ীৰে তেওঁলোকক চিৰিয়াখানালৈ নিছিল।

**(চ) অৰুণৰ দদায়েকে বাছেৰে/নাৱেৰে কলেজলৈ অহা-যোৱা কৰিছিল।**

উত্তৰ : অৰুণৰ দদায়েকে নাৱেৰে কলেজলৈ অহা-যোৱা কৰিছিল।

**(ছ) শেৱালিৰ খুৰাকৰ ল’ৰা মহেশে গুৱাহাটীত/দিল্লীত চাকৰি কৰিছিল।**

উত্তৰ : শেৱালিৰ খুৰাকৰ ল’ৰা মহেশে দিল্লীত চাকৰি কৰিছিল।